# **REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 07-04-2026

**Time :** 21-25 Hrs

## **ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত পৰহিলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। এইবাৰ ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ কোটি ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬ টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেৱ কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাওঁ সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰসাৰগাৰ আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০ টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ০০০০

০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে কাইলৈ বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হ'ব। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াকে ধৰি ৭ খন দেশৰ ১৫ গৰাকী প্ৰতিনিধি আৰু নিৰ্বাচন আয়োগৰ ৩ গৰাকী বিষয়াৰে গঠিত দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁলোকে লগতে ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰিব। দলটোৱে পৰহিলৈ ভোটগ্ৰহণৰ দিনা বিভিন্ন জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটদান প্ৰক্ৰিয়া, নিৰাপত্তা ব্যৱস্থা আৰু প্ৰযুক্তি ব্যৱহাৰৰ বুজ ল'ব।

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত চলি আছে। ইতিমধ্যে অভিযুক্তসকলৰ ওপৰত বিচাৰৰ ধাৰা আৰোপ সম্পৰ্কীয় শুনানি প্ৰায় সমাপ্ত হৈছে। কাইলৈ

এগৰাকী অভিযুক্তৰ বিচাৰৰ ধাৰা সন্দৰ্ভত শুনানি গ্ৰহণৰ পাছতে জুবিন গাৰ্গৰ হৈ নিয়োগ কৰা বিশেষ লোক অভিযুক্তসকলৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰিব। এই সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়।

বাইট

০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৰে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা নিশা সংঘটিত এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হৈ ইম্ফলৰ চিকিৎসালত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বোমা উদ্ধাৰ কৰি নিষ্ক্ৰীয় কৰে। এই ঘটনাৰ পাছতে ৰাজ্যখনৰ ৫ খন উপত্যকা জিলা, পশ্চিম ইম্ফল, পূব ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত বহু লোকে প্ৰতিবাদ কৰে। উপত্যকা জিলাকেইখনত পৰিস্থিতি নিয়ন্ত্ৰণৰ উদ্দেশ্যে ৩ মাৰ্চত জাৰি কৰা সান্ধ্য আইনৰ ম্যাদ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বৃদ্ধি কৰা হৈছে।

০০০০

নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসীয়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে হেঁপাহৰ ৰঙালী বিহু পালন কৰিবলৈ সাজু হৈছে। বিহুলৈ মাজত সাদিন থকা অৱস্থাত ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বিভিন্ন অঞ্চলত পৰম্পৰা অনুসৰি বিহু পালনৰ বাবে ৰাইজ সাজু হোৱাৰ সমান্তৰালভাৱে মঞ্চ বিহু উদ্‌যাপনৰো প্ৰস্তুতি চলিছে। বিহু হুঁচৰী, নাচৰ আখৰাৰ লগতে সংগীত শিল্পীসকলেও বিহু মঞ্চত জনসাধাৰণক মনোৰঞ্জন দিয়াৰ বাবে পূৰ্ণগতিত আখৰা চলাইছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু আৰু মুকলি বিহু উদ্‌যাপন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু নাচৰ আখৰা আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। উজনি অসমৰ বিভিন্ন অঞ্চলত বিহুৰ উলহ-মালহ পৰিলক্ষিত হোৱাৰ লগতে নামনি অসমতো জনসাধাৰণে বিহুৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কোনো কোনো টাইত বিহুৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য মেলা, লোকবাদ্য আদি প্ৰতিযোগিতা আৰু সাজপাৰৰ বিপনী মুকলি কৰা হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত ৰাজস্থান ৰয়েলছ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত হ'বলগীয়া খেলখন বৰষুণৰ বাবে এতিয়াও আৰম্ভ হোৱা নাই। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হোৱাৰ কথা আছিল যদিও এতিয়ালৈকে টছ হোৱা নাই। ০

০০০০

ঃঃ সমাপ্ত ঃঃ